আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, JANUARY 31, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৩৪ Guwahati, Assam ।। মূল্যঃ এটকা

## চকী এৰি দিলে চম্পাই ছোৰেনক

## ইডিৰ বিষয়াৰ সৈতে গৈ ৰাজ্যপালক দিলে পদত্যাগ পত্ৰ



## কাৰ্যনিৰ্বাহ কৰি থকা অৱস্থাতে ‘ইডি’য়ে গ্ৰেপ্তাৰ কৰা প্ৰথমগৰাকী মুখ্যমন্ত্ৰী হৈ পৰিল হেমন্ত ছোৰেন



# ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীক গ্ৰেপ্তাৰ

**ৰাঁচী, ৩১ জানুৱাৰীঃ** ঝাৰখণ্ডত ৰাজনৈতিক পৰিস্থিতি গৰম হৈ পৰাৰ সময়তে মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণক বুধবাৰে সন্ধিয়া প্ৰৱৰ্তন সঞ্চালকালয়ে (ইডি) জিম্মাত লয়। তাৰ পাছতে মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰে ছোৰেন। আনহাতে, পৰিবহণ মন্ত্ৰী তথা ঝাৰখাণ্ড মুক্তি মৰ্চাৰ উপাধ্যক্ষ চম্পাই ছোৰেণক ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা নিৰ্বাচিত কৰা হয়। চম্পাই ছোৰেনৰ অতি ঘনিষ্ঠ চম্পাই ছোৰেণে। পৰৱৰ্তী মুখ্যমন্ত্ৰী পদ চম্ভালিব চম্পাই ছোৰেণে।

ৰাজ্যপালক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ প্ৰদানৰ কেইমিনিটমান পাছত হেমন্ত ছোৰেণক ভূমি কেলেংকাৰীৰ গোচৰত জিম্মাত লয় ইডি-এ। ইডিৰ বিষয়াক পদত্যাগ কৰাৰ পিছতহে গ্ৰেপ্তাৰ মেমোত স্বাক্ষৰ কৰিব বুলি স্পষ্ট কৰিছিল হেমন্ত ছোৰেনে। ইডিৰ বিষয়াৰ সৈতে ৰাজভৱনলৈ গৈ হেমন্ত ছোৰেণে মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰে। চম্পাই ছোৰেণৰ ৪১ জনতকৈও অধিক বিধায়কে সমৰ্থন কৰিছে। ৮০ জনীয়া বিধানসভাত সংখ্যাগৰিষ্ঠতাৰ সংখ্যা হৈছে ৪১।

বাতৰিৰ শেষাংশ ২নং পৃষ্ঠাত চাওক

প্ৰথম পৃষ্ঠাৰ পৰা...

# ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীক গ্ৰেপ্তাৰ

৬০০ কোটি ভূমি কেলেংকাৰীৰ সৈতে জড়িত এটা কথিত মানি লণ্ডাৰিং গোচৰত সোধা-পোছাৰ বাবে সাতখন চমন জাৰি কৰিছিল যদিও ছোৰেন হাজিৰ হোৱা নাছিল৷ তাৰ পাছতে গ্ৰেপ্তাৰৰ আশংকা কৰা হৈছিল। ঝাৰখণ্ডৰ শাসকীয় মিত্ৰজোঁটে চম্পাই চোৰেণনক নেতা হিচাপে নিৰ্বাচিত বিধায়িনী দলে। কংগ্ৰেছ নেতা ৰাজেশ ঠাকুৰৰ মতে, হেমন্ত চোৰেণে পদত্যাগ কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ পাছতে চম্পাই চোৰেণক নেতা নিৰ্বাচিত হয়। ৬৭ বছৰীয়া চম্পাই চোৰেণ চেৰাইকেলাৰ বিধায়ক। শাসকীয় মিত্ৰজোঁটৰ বিধায়কসকলে ৰাজভৱনত ৰাজ্যপাল চিপি ৰাধাকৃষ্ণণক সাক্ষাৎ কৰে। শাসকীয় মিত্ৰজোঁট ঝাৰখণ্ড মুক্তি মৰ্চা আৰু কংগ্ৰেছৰ নেতাসকলে কয় যে মিত্ৰজোঁট থকা দলসমূহৰ বিধায়কসকলে সৰ্বসন্মতিক্ৰমে চম্পাই চোৰেণক নেতা হিচাপে নিৰ্বাচিত কৰিছে। কংগ্ৰেছ বিধায়ক ৰাজেশ ঠাকুৰে কয় যে হেমন্ত চোৰেণে সিদ্ধান্ত লৈছে যে পদত্যাগ কৰিছে। আৰু আমি আমাৰ নেতা চম্পাই চোৰেণক বাছনি কৰিছো আৰু আমি ৰাজ্যপালক দাবী উত্থাপন কৰিম। সকলো বিধায়ক আমাৰ লগত আছে। ইয়াৰ পূৰ্বে ঝাৰখণ্ডৰ মন্ত্ৰী বান্না গুপ্তাই কয় যে আমি চম্পাই চোৰেণক বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰিছো। আমি মহামান্য ৰাজ্যপালক শপত গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিবলৈ আহিছো। ঝাৰখণ্ড মুক্তি মৰ্চাৰ সাংসদ মহুয়া মাঝিয়ে কয় যে শাসকীয় মিত্ৰজোঁটৰ সংখ্যাগৰিষ্ঠতা আছে। মুখ্যমন্ত্ৰী হেমন্ত চোৰেণ এতিয়াও জিম্মাত আছে। আমাৰ সকলো বিধায়ক একেলগে আছে। হেমন্ত ছোৰেনক বুধবাৰে ইডি বিষয়াসকলে ভূমিৰ অপব্যৱহাৰৰ এটা পুৰণি গোচৰৰ সন্দৰ্ভত সোধা-পোছা কৰিছিল। ইডি বিষয়াসকলে মুখ্যমন্ত্ৰী হেমন্ত চোৰেণলৈ সময় বিচাৰি এখন পত্ৰ প্ৰেৰণ কৰে। হেমন্ত চোৰেণে বিষয়াসকলক ৩১ জানুৱাৰীৰ দুপৰীয়া ১ বজাত তেওঁৰ বাসগৃহলৈ মাতিছিল। একেটা গোচৰতে ২০ জানুৱাৰীত ইডিয়ে তেওঁক প্ৰশ্ন কৰিছিল।কোৱা হৈছিল যে তদন্ত সম্পূৰ্ণ কৰিব পৰা নগ'ল। ইয়াৰ পূৰ্বে, ইডিৰ বিষয়াসকলে ২৯ জানুৱাৰীৰ পুৱা দিল্লীত মুখ্যমন্ত্ৰীৰ বাসগৃহলৈও গৈছিল কিন্তু মুখ্যমন্ত্ৰীক লগ কৰিব নোৱাৰিলে। হেমন্ত চোৰেণ নিৰুদ্দেশ হোৱাৰ খবৰ পোৱা গৈছিল। অৱশ্যে, পিছদিনা, হেমন্ত ৰাঁচীত উপস্থিত হৈছিল। ৰাজহুৱা কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল আৰু বিধায়কসকলৰ সভাতো অংশগ্ৰহণ কৰিছিল। ইডিয়ে খনি কেলেংকাৰীৰ অভিযোগত মুখ্যমন্ত্ৰী হেমন্ত চোৰেণৰ বক্তব্য লিপিবদ্ধ কৰিছিল। হেমন্ত চোৰেণ এই গোচৰবোৰৰ প্ৰাথমিক অভিযুক্ত নহয়। চোৰেণৰ দলে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশত ইডি-এ কাম কৰাৰ অভিযোগ তুলি আহিছে। ইফালে, ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণে অনুসূচীত জাতি-জনজাতি আইনৰ অধীনত ইডি বিষয়াৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে। ভূমি কেলেংকাৰীৰ গোচৰৰ সন্দৰ্ভত সোধা-পোছা কৰা প্ৰৱৰ্তন সঞ্চালকালয়ৰ বিষয়াসকলৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে৷ ৰাঁচী আৰক্ষীয়ে জনোৱা মতে, চোৰেণে দাখিল কৰা অভিযোগ ধুৰৱা আৰক্ষী থানাত প্ৰাপ্ত হৈছে। মুখ্যমন্ত্ৰীক কেন্দ্ৰৰ নিৰ্দেশত ইডিয়ে ইচ্ছাকৃতভাৱে হাৰাশাস্তি কৰাৰ লগতে ৰাজ্য চৰকাৰৰ কৰ্মসূচীক ব্যাহত কৰিবলৈ ৰাজনৈতিক উদ্দেশ্যে প্ৰণোদিত আৰু দাবী ৩১ জানুৱাৰীৰ আগতে বক্তব্য পুনৰ লিপিবদ্ধ কৰাৰ জেদ 'বিদ্বেষৰ পুনৰাবৃত্তি'৷



গ্ৰেপ্তাৰৰ পূৰ্বে ৰাজভৱনলৈ গৈ ৰাজ্যপালক পদত্যাগ পত্ৰ প্ৰদান ছোৰেণৰ

## ১২ ফেব্ৰুৱাৰীত পুনৰ হাজিৰ হোৱাৰ নিৰ্দেশ আৰক্ষীৰ

# যোৰহাট সদৰ থানাত ৩ ঘণ্টা ধৰি জেৰা ভূপেন বৰাক

**ই-সংবাদ, যোৰহাট, ৩১ জানুৱাৰীঃ** অগ্ৰিম জামিন নোলোৱাকৈয়ে যোৰহাট সদৰ থানাত সোঁশৰীৰে উপস্থিত হৈ তিনি ঘণ্টাৰ জেৰাৰ পিছত ঘৰলৈ ঘূৰি আহিল প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা। ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ত যোৰহাটত বিশৃংখল পৰিস্থিতিৰ সৃষ্টি কৰাৰ অভিযোগত ভূপেন বৰাৰ বিৰুদ্ধে যোৰহাট আৰক্ষীয়ে ৰুজু কৰিছিল কেইবাটাও ধাৰাত জামিনবিহীন গোচৰ। সেই গোচৰৰ বাবেই আজি যোৰহাটলৈ মাতি পঠিওৱা হৈছিল বৰাক। দুপৰীয়া বৰাই জিলাখনৰ সদৰ থানাত উপস্থিত হোৱাৰ পিছতে তেওঁক থানাত বহুৱাই তিনিঘণ্টা ধৰি জেৰা চলায় তিনিগৰাকী আৰক্ষী বিষয়াই। ইফালে কোনো অদৃশ্য শক্তিয়ে জেৰাৰ সময়ত আৰক্ষী বিষয়া কেইগৰাকীক বাৰে বাৰে ফোন কৰি বাহিৰলৈ মাতি নিয়া বুলি জেৰাৰ অন্তত থানাৰ পৰা ওলাই আহি বিস্ফোৰক অভিযোগ কৰে ভূপেন বৰাই। বৰাই কয়, "মোক জেৰাৰ সময়ত ন্যায় যাত্ৰাৰ ভিডিঅ' দেখাইছো৷ তাত মাথো দুই-তিনিজন পুলিচহে ওলাইছো৷ আৰক্ষী চিভিল ড্ৰেছত থকা বুলি কৈছে, মই তেতিয়া কৈছিলো আপোনালোকে আমাক নিয়ন্ত্ৰণ নকৰিলে কিয়? আমাক ক'ব লাগিছিল এইফালে যাব নালাগে ইপিনে যাওক৷'' ভূপেন বৰাই পুনৰ কয়, "মই জেৰা কৰা বিষয়া কেইগৰাকীক সুধিছিলো যে মোৰ কাৰণে এনে কি হ'ল যে মোৰ বিৰুদ্ধে জামিনবিহীন গোচৰ ৰুজু কৰা হ'ল? তেতিয়া তেওঁলোকে একো কোৱা নাছিল৷ ৰাইজে সকলো চাই আছে৷ গণতন্ত্ৰত ৰাইজে ৰজা৷'' ভূপেন বৰাই তেওঁক চৰকাৰে হাৰাশাস্তি কৰি অহাৰ অভিযোগ উত্থাপন কৰি কয়, 'ভাৰত জোড়ো যাত্ৰা ৪ হাজাৰ কিলোমিটাৰ হৈছে৷ তাত গোচৰ হৈছে নেকি? উত্তৰ পূবত ৫ খন ৰাজ্যত ন্যায় যাত্ৰা পাৰ হৈ গ'ল৷ ক'ৰবাত গোচৰ তৰা হৈছে নেকি? আৰক্ষীয়ে ক'ৰবাত অসুবিধা কৰিছে নেকি?' ইফালে দলৰ শীৰ্ষ নেতা আৰু জিলা সমিতিসমূহে সংগ দিয়াত ধন্যবাদ জ্ঞাপন কৰে ভূপেন বৰাই৷ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ক্ষমতা আৰু লুণ্ঠন চলাই অহাৰ লগতে শাসনৰ নামত শোষণ আৰু দমন কৰা বুলি অভিযোগ আনে বৰাই৷ তেওঁ কয় যে এনে শোষণ আৰু দমনৰ বিৰুদ্ধে কংগ্ৰেছৰ নেতৃত্বই দেশৰ স্বাধীনতা কাঢ়ি আনিছিল। ভূপেন বৰাই আৰু কয় যে কংগ্ৰেছ দলে অসমৰ মানুহৰ স্বাৰ্থত কাম কৰি আছে৷ ইমান প্ৰতিবন্ধকতা সত্বেও, অসম চৰকাৰে আৰক্ষীক ব্যৱহাৰ কৰাৰ পাছতো জিলা কংগ্ৰেছৰ বাবে যাত্ৰা প্ৰতিৰোধ কৰিব নোৱাৰিলে৷ থানা চৌহদতে বৰাই লোকসভা নিৰ্বাচনৰ কথা উল্লেখ কৰি কয় যে নিৰ্বাচনলৈ মাথো ১০০ দিন আছে৷ বিজেপিয়ে বিচাৰিছে কংগ্ৰেছ দলৰ কৰ্মী থানাৰ ওচৰত ব্যস্ত হৈ থাকক৷ মোক আকৌ ১২ তাৰিখে মাতিছে৷ মই আকৌ আহিম৷ কিন্তু কংগ্ৰেছৰ সকলোৰে দায়িত্ব আছে৷ ভূপেন বৰাই ৰাজ্যিক, জিলা আৰু ব্লকৰ নেতাক আহ্বান জনাই কয়, "আমি আইনী যুদ্ধও কৰিব লাগিব৷ কোনোৱে নিৰ্বাচন খেলিব, কোনোৱে কেম্পেইন কৰিব৷ আমি নিৰ্বাচনত সকলোৱে সততা আৰু নিষ্ঠাৰে দায়িত্ব পালন কৰিম৷'' আজি যোৰহাটত ভূপেন বৰাৰ সৈতে ছাঁটোৰ দৰে লাগি থকা বিৰোধী দলপতি দেবব্ৰত শইকীয়াই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, "সিদিনা হাজাৰ হাজাৰ মানুহ আহিছে৷ কোনোবাই পথ নিৰ্দেশনা ভুল কৰিব পাৰে৷ এইকাৰণে সভাপতি এজনক দোষ দিয়াটো উচিত হোৱা নাই। এয়া আক্ৰোশমূলক৷ আমি চৰকাৰ-প্ৰশাসনে যেনেকৈ কৈছে তেনেকৈয়ে কৰিছো৷ ইয়াত আমাৰ ভুল নে তেওঁলোকৰ ভুল? তেওঁলোকে নিজৰ কামখিনি নকৰি আমাৰ ওপৰত ভুল জাপি দিছে৷ তেওঁলোকে মাইক দি ঘোষণা কৰিছিল নেকি? ইপিনে নাযাব৷ ১৪৪ লাগি যাব৷ সেই সময়ত আমাক তেনে একো কথা কোৱা নাই৷ আমাৰ একো দোষ নাই৷ আমি অনুমতি বিচাৰিছিলো৷ অনুমিত দিয়া হ'লে একো অসুবিধা নহ'লহেঁতেন৷'' ইচ্ছাকৃতভাৱে ইফালে-সিফালে ঠেলা-ঠেলি কৰি কংগ্ৰেছ নেতাৰ ওপৰত কিছুমান গোচৰ জাপি দিছে বুলি কৈ শইকীয়াই আৰু কয় 'বেৰিকেড ভঙাৰ গোচৰ দিছে৷ সিদিনা বেৰিকেডেই নাছিল৷ ইচ্ছাকৃতভাৱে কিছুমান ধাৰা লগোৱা হৈছে৷ যাৰ দ্বাৰা ৭ বছৰ বা ৩ বছৰ জামিন নিদিয়াকৈ থাকিব পাৰে৷ এই ধাৰা দিয়া উচিত নাছিল৷ আমি কোনো বেৰিকেড ভঙা নাই৷ আমি শান্তিৰে যাত্ৰা কৰিছো৷ আৰক্ষীৰ বিৰুদ্ধে তদন্ত হ'ব৷ আৰক্ষীয়ে গোটেই যাত্ৰাৰ ব্যৱস্থা পাৰ হৈ যাব পৰাকৈ বন্দোৱস্থ কৰিছিল নে নাই?' আজি ভূপেন বৰা যোৰহাটত উপস্থিত হোৱাৰ সময়তে তিতাবৰৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, যোৰহাট, ধেমাজি, মাজুলী, ডিব্ৰুগড় আদি জিলাৰ নেতা-কৰ্মী উপস্থিত থকা দেখা যায়৷

**প্ৰদেশ কংগ্ৰেছৰ প্ৰতিক্ৰিয়াঃ** ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সফলতাত ভয় খাই বিজেপি চৰকাৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাৰ বিৰুদ্ধে আক্ৰোশমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। ৩১ জানুৱাৰীত প্ৰায় ৩ ঘণ্টা ধৰি যোৰহাট সদৰ থানাত আৰক্ষীৰ দ্বাৰা ভূপেন বৰাক জেৰা কৰোৱা কথাটোৱে বিজেপি চৰকাৰখনৰ ফেচিষ্ট চৰিত্ৰ স্পষ্ট হৈ পৰিছে। অন্যান্য ৰাজ্যত ভাৰত জোড়ো যাত্ৰা হৈছে যদিও ক'তোৱেই চৰকাৰে এনেধৰণেৰে কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতিৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা নাই। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিশোধপৰায়ণ মনোভাৱ প্ৰকট কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক এইদৰে আৰক্ষীৰ দ্বাৰা হাৰাশাস্তি কৰাইছে। আজিৰ ঘটনাৰ পিছতে এই অভিযোগ কৰিছে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ মিডিয়া বিভাগৰ অধ্যক্ষ ভৰত চন্দ্ৰ নৰহ আৰু সম-অধ্যক্ষ বেদব্ৰত বৰাই।

# বিহাৰ-পশ্চিমবংগৰ সীমান্তত ৰাহুল গাড়ীৰ ন্যায় যাত্ৰাৰ বাহনত আক্ৰমণ

**পাটনা, ৩১ জানুৱাৰীঃ** বিহাৰৰ পৰা ভাৰত জোড়ো ন্যায় যাত্ৰা পশ্চিমবংগৰ মালদা জিলাৰ প্ৰৱেশৰ সময়তে লাভা দলঙত আক্ৰমণ কাণ্ড সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে৷ এই সন্দৰ্ভত ৰাষ্ট্ৰীয় সংবাদমাধ্যমত খবৰ প্ৰকাশ পাইছে৷ হাজাৰ হাজাৰ লোকৰ ভিৰৰ মাজতে ৰাহুল গান্ধীৰ গাড়ীৰ পিছফালৰ গ্লাচ ভাঙি পৰে। ঘটনা সংঘটিত হোৱাৰ সময়ত ৰাহুল বাহত আছিল৷ কংগ্ৰেছ নেতাসকলে এয়া ৰাহুল গান্ধীৰ নিৰাপত্তাক লৈ ভেঙুচালি কৰা হৈছে নেকি লৈ প্ৰশ্ন উত্থাপন কৰিছে? জ্যেষ্ঠ কংগ্ৰেছ নেতাই কয় যে আজি মালদাত মমতা বেনাৰ্জীৰ ৰেলী আছে, তাত সকলো আৰক্ষী ব্যস্ত। এই অনুষ্ঠানৰ বাবে খুব কম সংখ্যক আৰক্ষী নিযুক্তি দিয়া হৈছে৷ বিহাৰৰ ৰাজ্যিক সভাপতি অখিলেশ সিঙে পশ্চিমবংগ কংগ্ৰেছৰ সভাপতি অধীৰ ৰঞ্জন চৌধুৰীলৈ পতাকা হস্তান্তৰ কৰাৰ পাছতে মালদাৰ লাভা দলঙত এই আক্ৰমণ সংঘটিত হোৱাৰ সন্দেহ কৰা হৈছে৷ পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ গাড়ীৰ গ্লাচ ভাঙি পেলোৱা কাণ্ডক সমালোচনা কৰিছে। এনে কাণ্ডক সমৰ্থন নকৰো বুলি কৈ মমতাই কয় যে ঘটনা বংগত হোৱা নাই। বিহাৰত ঘটিছে। নীতিশ কুমাৰৰ প্ৰশাসনকো আক্ৰমণ কৰে মমতাই৷ বুধবাৰে পুৰা ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰা কাৰ্যসূচী বিহাৰৰ পৰা বংগত প্ৰৱেশ কৰিছিল। সেই সময়ত ৰাহুল গান্ধীৰ গাড়ীৰ পিছফালৰ গ্লাছ ভঙা অৱস্থাত পোৱা গৈছিল। ৰাজ্যিক কংগ্ৰেছৰ সভাপতি অধীৰৰঞ্জন চৌধুৰীও গাড়ীখনত আছিল। ঘটনাৰ পাছতে চৌধুৰীয়ে ইংগিতপূৰ্ণ মন্তব্য কৰি কয় বুজি পাওঁ কোনে এয়া কৰিছে। বংগ চৰকাৰে আৰম্ভণিৰে পৰা ৰাহুল গান্ধীৰ সৈতে সহযোগিতা কৰা নাই। আনহাতে, ঘটনা সংঘটিত হৈ থকাৰ সময়তে মুখ্যমন্ত্ৰী মমতা মালদাৰ পৰা মুৰ্শিদাবাদলৈ গৈ আছিল। বহৰমপুৰত উপস্থিত হোৱাৰ পাছতে বংগৰ মুখ্যমন্ত্ৰীয়ে ৰাহুলৰ গাড়ীৰ গ্লাচ ভাঙি পেলোৱা ঘটনা সন্দৰ্ভত মন্তব্য কৰে। মমতাই কয় যে হেলিকপ্টাৰলৈ যোৱাৰ পথত মই এটা বাৰ্তা পাইছিলো। মই আপোনাক ৰাহুলৰ নাম কওঁ। তেওঁ মোতকৈ সৰু। তেওঁৰ গাড়ীৰ গ্লাচ ভাঙি পেলোৱা হৈছিল। মই এই চব ভাল নাপাওঁ। কিন্তু পিছত মই শুনিছিলো যে এইটো বিহাৰৰ কাটিহাৰত হৈছে৷ গতিকে বংগৰ কোনে লোক জড়িত নহয়। বিহাৰত নীতিশ কুমাৰৰ দলে বিজেপিৰ ফালে আছে। তেওঁলোক ঐক্যবদ্ধ। তেওঁলোকৰ খং আছে। গতিকে এই সকলোবোৰ ঘটাব পাৰে বুলিও কয় মমতা বেনাৰ্জীয়ে।



# দেশৰ ভিতৰতে অসমত সৰ্বনিম্ন উচ্চ শিক্ষাত নামভৰ্তিৰ হাৰ

**নতুন দিল্লী, ৩১ জানুৱাৰীঃ** ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা সৰ্বভাৰতীয় উচ্চ শিক্ষাৰ উচ্চ শিক্ষাৰ সৰ্বভাৰতীয় জৰীপ (AISHE) ২০২১-২০২২ অনুসৰি অসমৰ উচ্চ শিক্ষা ব্যৱস্থাক লৈ ভয়ংকৰ তথ্য প্ৰকাশ পাইছে৷ সমীক্ষাত দেখা গৈছে যে অসমত উচ্চ শিক্ষাৰ ক্ষেত্ৰত নামভৰ্তিৰ হাৰ মাত্ৰ ১৬.৯ শতাংশ৷ যি দেশৰ অন্যান্য ৰাজ্যসমূহৰ তুলনাত সৰ্বনিম্ন। উচ্চ শিক্ষা ব্যৱস্থা এতিয়া তথৈবচ হৈ পৰাত শিক্ষা আহৰণৰ ধাউতি কমি আহিছে নতুন প্ৰজন্মৰ৷ চৰকাৰে ভোটাৰক আকৃষ্ট কৰিবলৈ লোভনীয় আঁচনি গ্ৰহণ কৰিছে যদিও শিক্ষা আহৰণৰ প্ৰতি নতুন প্ৰজন্মক আকৃষ্ট কৰাত বিফল হৈছে৷ মন্ত্ৰালয়ে ২০১১ চনৰ পৰাই দেশৰ সকলো উচ্চ শিক্ষানুষ্ঠানক সামৰি দেশত উচ্চ শিক্ষা প্ৰদানৰ ক্ষেতত সৰ্বভাৰতীয় উচ্চ শিক্ষাৰ জৰীপ চলাই আহিছে। এই সমীক্ষাত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি, শিক্ষকৰ তথ্য, আন্তঃগাঁথনিগত তথ্য, বিত্তীয় তথ্য আদি বিভিন্ন পৰিমাপৰ বিশদ তথ্য সংগ্ৰহ কৰা হয়। প্ৰথমবাৰৰ বাবে উচ্চ শিক্ষাৰ ওপৰত সৰ্বভাৰতীয় জৰীপ ২০২০-২১ত উচ্চ শিক্ষা বিভাগে ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰৰ জৰিয়তে প্ৰস্তুত কৰিছে ৱেব ডাটা কেপচাৰ ফৰ্মেট৷ ফৰ্মেটৰ জৰিয়তে সম্পূৰ্ণ অনলাইন তথ্য সংগ্ৰহ প্লেটফৰ্ম ব্যৱহাৰ কৰি উচ্চ শিক্ষানুষ্ঠানসমূহে তথ্য পূৰণ কৰিছে। দেশত উচ্চ শিক্ষাত মুঠ নামভৰ্তিৰ সংখ্যা ২০২০-২১ চনত প্ৰায় ৪.১৪ কোটিৰ পৰা ২০২১-২২ চনত প্ৰায় ৪.৩৩ কোটিলৈ বৃদ্ধি পাইছে৷ ২০১৪-১৫ চনৰ পৰা ৯১ লাখৰো অধিক ছাত্ৰ-ছাত্ৰী বৃদ্ধি পাইছে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উচ্চ শিক্ষাৰ ক্ষেত্ৰত ৰাজ্যখনৰ প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোকপাত কৰি মুঠ নামভৰ্তি অনুপাত (Gross Enrollment Ratio) ১৭ৰ পৰা ১৮ শতাংশৰ ভিতৰত থকাৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, উদ্বেগজনকভাৱে, এইবাৰো চৰকাৰে চলোৱা উচ্চ শিক্ষাৰ সমীক্ষাত দেখা গৈছে যে অসমৰ উচ্চ শিক্ষাৰ মুঠ নামভৰ্তিৰ অনুপাত এতিয়াও ১৭.৫ শতাংশত আছে৷ এয়া উৰ্ধগামী হোৱা নাই। যোৱা বছৰ উচ্চ শিক্ষা খণ্ডত ৰাজ্য চৰকাৰে কৰা বিনিয়োগৰ পিছতো নামভৰ্তি বৃদ্ধি হোৱা নাই। ইয়াৰ উপৰিও মুখ্যমন্ত্ৰীয়ে কয় যে পি.জি পাঠ্যক্ৰম আৰু নতুন বিশ্ববিদ্যালয় মুকলি কৰাৰ পাছতো মুঠ নামভৰ্তিৰ অনুপাত এতিয়াও ১৭-১৮ শতাংশৰ ভিতৰত আবদ্ধ হৈ আছে। এইক্ষেত্ৰত বিশ্লেষণ কৰাৰ প্ৰয়োজন আছে। পৰিসংখ্যাৰ দ্বাৰা নহয়, কিন্তু ধাৰণাৰ স্তৰ অনুসৰণ কৰি মুখ্যমন্ত্ৰীয়ে দৃঢ়তাৰে কয় যে পূৰ্বে যিসকল ছাত্ৰ-ছাত্ৰীয়ে পিজি পাঠ্যক্ৰম কৰাৰ কথা ভবা নাছিল তেওঁলোকে এতিয়া বিভিন্ন পাঠ্যক্ৰমৰ লগতে কাৰিকৰী পাঠ্যক্ৰমতো নামভৰ্তি কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে হয় নামভৰ্তি প্ৰক্ৰিয়াত যিদৰে অংশগ্ৰহণৰ হাৰ বাঢ়িব লাগিছিল সেইদৰে বৃদ্ধি পোৱা নাই৷ ক'ৰবাত কিবা ভুল হৈছে৷ মই ভাবো উচ্চ শিক্ষা বিভাগে এই বিষয়ে চিন্তা কৰিব লাগিব৷ অসমৰ তৃতীয় পৰ্যায়ৰ শিক্ষাৰ জিইআৰ বছৰ বছৰ ধৰি উঠা-নমা কৰা দেখা গৈছে৷ ২০২০ চনলৈকে উপলব্ধ তথ্য অনুসৰি ২০১৮ চনত সৰ্বকালৰ সৰ্বোচ্চ ১৮.৭ শতাংশত উপনীত হৈছিল। ইয়াৰ দ্বাৰা উচ্চ শিক্ষাৰ সুবিধা বৃদ্ধি আৰু এই খণ্ডত ৰাজ্যৰ নামভৰ্তিৰ হাৰ উন্নত কৰাৰ বাবে অবিৰত প্ৰচেষ্টাৰ প্ৰয়োজনীয়তাৰ ইংগিত পোৱা যায়।

# জ্ঞানব্যাপী মছজিদৰ এটা অংশত পূজাৰ অনুমতি আদালতৰ

**ই-সংবাদ, ৩১ জানুৱাৰীঃ** আজি এখন আদালতে ঐতিহাসিক নিৰ্দেশ দি বাৰাণসীৰ জ্ঞানব্যাপি মছজিদৰ অজুখানাত গোচৰৰ হিন্দু পক্ষক পূজা কৰাৰ অনুমতি প্ৰদান কৰে৷ আদালতে হিন্দু আবেদনকাৰীসকলক বাৰাণসীৰ জ্ঞানব্যাপি মছজিদৰ পূৰ্বে বন্ধ কৰা তলঘৰত উপাসনা কৰিবলৈ অনুমতি প্ৰদান কৰিছে। বাৰাণসীৰ এখন আদালতে বুধবাৰে আবে এই ৰায় দিয়ে। আদালতে কৈছিল যে মছজিদৰ তলঘৰত প্ৰৱেশ প্ৰতিহত কৰিবলৈ লগোৱা বেৰিকেডবোৰ আঁতৰ কৰাৰ ব্যৱস্থা কৰা উচিত। বিশ্বনাথ মন্দিৰৰ পুৰোহিতসকলে উপাসনা কৰিব পাৰিব। উচ্চতম ন্যায়ালয়ে এএছআই জৰীপৰ সময়ত তলঘৰটো বন্ধ কৰিবলৈ নিৰ্দেশ দিছিল। জ্ঞানৱাপী গোচৰত হিন্দু পক্ষৰ অধিবক্তা সুধীৰ ত্ৰিপাঠীয়ে কয় যে ১৯৯৩ চনত তাত উপাসনা কৰা হৈছিল। মুলায়ম সিং যাদৱৰ তদানীন্তন চৰকাৰে কোনো সক্ষম আদালতৰ নিৰ্দেশ অবিহনে উপাসনা বন্ধ কৰিছিল। এটা মোকৰ্দমা দাখিল কৰা হৈছিল। তলঘৰৰ দুৱাৰবোৰ ভাঙি পেলোৱা আৰু খিৰিকী বলপূৰ্বক দখল বন্ধ কৰিব লাগে। গোচৰত জিলা দণ্ডাধীশক প্ৰাপ্তকৰ্তা হিচাপে নিযুক্তি দিয়া উচিত। আদালতে ২০২৪ চনৰ ১৭ জানুৱাৰীত এই নিৰ্দেশ প্ৰদান কৰি ২৪ জানুৱাৰীত জিলা দণ্ডাধীশে অধিগ্ৰহণ কৰে। দ্বিতীয়বাৰ প্ৰাৰ্থনা কৰাৰ আবেদনো গ্ৰহণ কৰি ৩০ জানুৱাৰীত উপাসনা আৰম্ভ কৰিবলৈ কয় আদালতে। আদালতে স্পষ্ট নিৰ্দেশ দিছিল যে প্ৰাপ্তকৰ্তা জিলা দণ্ডাধীশ আৰু কাশী বিশ্বনাথ ন্যাস আদিয়ে পুৰোহিত নিয়োগ কৰি উপাসনা আৰম্ভ কৰিব লাগে। এতিয়া ৭ দিনৰ ভিতৰত লোহাৰ ফলক আঁতৰ কৰা হ'ব আৰু উপাসনা আৰম্ভ কৰা হ'ব।

## ঘৰ এৰিব নোৱাৰা হৈছে আতংকিত নাগৰিকে

# সত্ৰনগৰী মাজুলীত চোৰৰ সন্ত্ৰাস

**ই-সংবাদ, মাজুলী, ৩১ জানুৱাৰীঃ** নদীদ্বীপ মাজুলীত চোৰৰ উপদ্ৰপ বৃদ্ধি পোৱাত জীৱন সম্পত্তিক লৈ চিন্তিত হৈ পৰিছে। বিগত কেইবাটাও দিন ধৰি মাজুলী আৰক্ষী থানাৰ পৰা ৩-৪ কিলোমিটাৰ নিলগৰ আউনীআটী সত্ৰৰ উপকণ্ঠ অঞ্চলত চুৰি কাণ্ড সংঘটিত হৈ অহাৰ পাছতো আৰক্ষীয়ে ব্যৱস্থা নোলোৱাৰ অভিযোগ উত্থাপন হয়। মাজুলী আৰক্ষীক চোৰে ভয়ন কৰাৰ ফলতে বাৰে বাৰে চুৰি কাণ্ড সংঘটিত হৈ অহা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। কিছুদিন পূৰ্বে বৰটানী গাঁৱৰ বগাৰাম হাজৰিকা ঘৰত দিন দুপৰতে চোৰে দুৱাৰ ভাঙি সোণৰ আ-অলংকাৰসহ নগদ ধন লৈ উধাও হৈছিল। আজি পৰ্যন্ত চোৰক গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে মাজুলী আৰক্ষীয়ে। আউনীআটী সত্ৰৰ উদ্যোগত ভাওনা সমাৰোহ চলি থকাৰ সুবিধা লৈ আউনীআটী উপকণ্ঠ অঞ্চলৰ যুগুণিধাৰী, খৰিচাখোৱা আদি গাঁৱৰ কেবাটাও পৰিয়ালত চোৰে সুবিধা লয়। ২৮ জানুৱাৰীৰ সন্ধ্যা যুগুণিধাৰী গাঁৱৰ মহেন্দ্ৰ বৰা ঘৰত চোৰে তিনিখনকৈ দুৱাৰ কাটি ঘৰৰ ভিতৰত প্ৰৱেশ কৰে। ওচৰতে চলি থকা ভাওনা সমাৰোহলৈ ঘৰৰ সকলো লোক ওলাই যোৱাৰ পাছতে চোৰে এই সুবিধা লয়। মহেন্দ্ৰ বৰাৰ ঘৰৰ সকলোকে ভাওনা সমাৰোহত থৈ পুনৰ ঘৰলৈ উভতি অহাত চোৰে মানুহ অহাৰ উমান পাই পাছফালৰ পথাৰৰ দিশে পলাই যায়। মহেন্দ্ৰ বৰাই ঘৰ সোমাই পাছফালৰ তিনিখন দুৱাৰ ভাঙি থোৱা দেখা পাই হুলস্থুল লগোৱাত ওচৰৰ মানুহে প্ৰত্যক্ষ কৰে। চোৰে কোনো বস্তু নিবলৈ নাপালে যদিও তিনিখনকৈ দুৱাৰ ক্ষতি কৰে। ইফালে ২৭ জানুৱাৰীৰ ৰাতি খৰিচাখোৱা গাঁৱৰ গোলাপ বৰা বৰবায়নৰ ঘৰত চুৰি কৰাৰ প্ৰয়াস কৰে। গোলাপ বৰা বৰবায়নৰ পৰিয়াল ভাওনা সমাৰোহত থকাত চোৰে লোৰ জাতীয় বস্তুৰে খিৰিকী ভঙাৰ চেষ্টা কৰে। ভাওনা সমাৰোহত পৰিয়ালটোক থৈ গোলাপ বৰা বৰবায়নৰ গাড়ীচালকজন ঘূৰি আহি ৰাস্তাৰ গেট খোল খাই থকা প্ৰত্যক্ষ কৰে। গাড়ী ৰখাই ভিতৰলৈ সোমাই যোৱাত চোৰে মানুহ অহাৰ উমান পাই পলায়ন কৰে। চোৰে চিগাৰেট খাই টুকুৰা পেলাই যোৱাৰ লগতে খিড়িকীত লো ভৰাই থোৱা অৱস্থাতে চোৰে পলায়ন কৰে। পৰিয়ালৰ লোকে মাজুলী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। আৰক্ষীক চোৰৰ উপদ্ৰপ ৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ অঞ্চলবাসীয়ে দাবী জনাইছে।

# ছত্তীশগড়ত মাওবাদীৰে সংঘৰ্ষত অসমৰ জোৱান শ্বহীদ

**ই-সংবাদ, ৩১ জানুৱাৰীঃ** ছত্তীশগড়ত মাওবাদীৰ বৰ্বৰ আক্ৰমণত অসমৰ এজন চিআৰপিএফৰ জোৱান শ্বহীদ হোৱাৰ ঘটনাই ৰাজ্যবাসীক ম্ৰিয়মান কৰিছে। ৩০ জানুৱাৰীৰ নিশা প্ৰায় ১ বজাত মাওবাদী আৰু নিৰাপত্তাৰক্ষীৰ মাজত লগা সংঘৰ্ষত অসমৰ জোৱান লম্বোধৰ সিংহসহ তিনিগৰাকী জোৱান শ্বহীদ হোৱাৰ লগতে ১৪ জোৱান আহত হৈছে। আহত জোৱানৰ মাজতো অসমৰ এজন জোৱান আছে। আহত জোৱানজন গোপীনাথ বসুমতাৰী বুলি জানিব পৰা গৈছে। ছত্তীশগড়ৰ বিজাপুৰ-সুকমা জিলাৰ সীমান্তৰ তেকালগুডেমত মাওবাদীৰ সৈতে হোৱা সংঘৰ্ষত বঙাইগাঁও জিলাৰ অন্তৰ্গত চিৰাঙৰ কাকাৰাগাঁৱৰ চিআৰপিএফ জোৱান লম্বোধৰ সিংহ শ্বহীদ হয়। এই খবৰ পোৱাৰ পাছতে শ্বহীদ জোৱানজনৰ কাকাৰাগাঁও ভাটিপাৰা গাঁৱৰ ঘৰত শোকবিহ্বল পৰিবেশ দেখা গৈছে। পৰিয়ালৰ লোক কান্দি-কাতি হায়ৰাণ হোৱা দেখা গৈছে। জানিব পৰা মতে, লম্বোধৰ সিংহৰ পাৰ্থিৱ শৰীৰ বিশেষ বিমান যোগে চিআৰপিএফৰ বিশেষ দলে লৈ আহিব বুলি জানিব পৰা গৈছে। লম্বোধৰ সিংহৰ গাত গুলী লাগি আঘাতপ্ৰাপ্ত হৈছিল। চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও মৃত ঘোষণা কৰে চিকিৎসকে। চিআৰপিএফৰ কোব্ৰা ৰেজিমেণ্টৰ ২০১ বেটেলিয়ন আৰু চিআৰপিএফৰ ১৫০ বেটেলিয়নৰ এটা দলে ছত্তীশগড়ৰ বিজাপুৰ আৰু সুকমা জিলাৰ সীমান্তত অপাৰেটিং বেছ শিবিৰ স্থাপনৰ বাবে কাম কৰি আছে। শিবিৰৰ সমীপৰ জোনাগুড়াৰ আলিগুড়াত জিলা ৰিজাৰ্ভ গাৰ্ড, কোব্ৰা বেটেলিয়ন আৰু বিশেষ টাস্ক ফ'ৰ্চে টহল দি আছিল। সেই সময়তে নক্সালবাদীয়ে নিৰাপত্তাৰক্ষীক লক্ষ্য কৰি গুলীবৰ্ষণ আৰম্ভ কৰে। গুলীবৰ্ষণত প্ৰায় ২০ নিৰাপত্তাৰক্ষী আহত হয়। তাৰ ভিতৰত তিনি নিৰাপত্তাৰক্ষী শ্বহীদ হয়। তেকালগুডেমত নিৰাপত্তাৰক্ষীক আকস্মিক আক্ৰমণ কৰে যদিও মাওবাদীক উচিত প্ৰত্যুত্তৰ দিয়ে নিৰাপত্তাৰক্ষীয়ে। কিন্তু অটব্য জংঘলত সোমাই মাওবাদীৰ দলটোৱে নিজকে ৰক্ষা কৰে। ২০২১ চনতো তেকালগুডেম অৰণ্যত মাওবাদীয়ে আৰক্ষীক আক্ৰমণ কৰিছিল। ২০২১ চনত মাওবাদী আৰু আৰক্ষীৰ সংঘৰ্ষত ২৩ জোৱান শ্বহীদ হৈছিল।

# বাৰপূজীয়াত সাহিত্য সভাৰ একাদশ বিশেষ বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, মৰিগাঁও, ৩১ জানুৱাৰীঃ** চিৰ চেনেহী মোৰ ভাষা জননী ধ্বনিৰে আজি পুৱাৰে পৰা মুখৰিত হল মৰিগাঁও জিলাৰ বাৰপূজীয়াৰ ঐতিহাসিক পাঁচোৰজা সমন্বয় ক্ষেত্ৰ। আজিৰে পৰা চাৰিদিনীয়া বিশাল আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হোৱা অসম সাহিত্য সভাৰ একাদশ বিশেষ বাৰ্ষিক অধিৱেশৰ পুৱা মৰিগাঁও জিলাৰ আঁহতগুৰিৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মস্থানত লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্ত্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই। এই কাৰ্যসূচী ৰূপায়ন কৰি দিয়া ভাষণত কয় যে, লক্ষ্মীনাথ বেজবৰুৱা হৈছে অসমীয়া ভাষা সাহিত্যৰ ধ্বজ্বাবাহক। তেঁওক বাদ দি অসমীয়া ভাষা সাহিত্যৰ কথা কল্পনাই কৰিব নোৱাৰি। তেঁও অসমীয়া সাহিত্যত এটা যুগৰ সৃষ্টি কৰিছিল। অজি এই পবিত্ৰ ক্ষণত ওপজা স্থানত তেওঁক শ্ৰদ্ধাঞ্জলি জনাবলৈ পাই নিজকে ধন্য মানিছো। তেঁও ভাষণ প্ৰসংগত লগতে কয় যে, অসম সাহিত্য সভাক বিশ্বমুখী কৰাৰ লক্ষ্যৰে ইতিমধ্যে আমেৰিকা, ইংলেণ্ডত অসম সাহিত্য সভাৰ শাখা মুকলি কৰা হৈছে। অসমীয়া সাহিত্যক ইংৰাজীলৈ অনুবাদৰ জৰিয়তে বিশ্বমুখী কৰাৰ চেষ্টা অব্যাহত ৰখা বুলিও তেঁও মন্তব্য কৰে। এই অনুষ্ঠানত উপস্থিত থাকি অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মাই কয় যে, অসম সাহিত্য সভাৰ একাদশ বিশেষ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হোৱা ঐতিহাসিক বাৰপূজীয়াৰ পৰাই অসম সাহিত্য সভাই এক নতুন বাৰ্তা প্ৰেৰণ কৰিব। অনুষ্ঠানত অসম সাহিত্য সভাৰ উপ-সভাপতি ডাঃ গিৰীশ সন্দিকৈ, ৰামধেনু উপ-সমিতিৰ আহ্বায়ক অজিত প্ৰসাদ শৰ্মা, নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক প্ৰতাপ হাজৰিকা, প্ৰচাৰ উপ-সমিতিৰ কাৰ্যকৰী সভাপতি জ্যেষ্ঠ সাংবাদিক অজিত শৰ্মা, আদৰণী সমিতিৰ সভাপতি হেমন্ত কুমাৰ দেউৰী, কাৰ্যকৰী সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মা সহ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। পুৱাৰ ভাগতে পাঁচোৰজা সমন্বয় ক্ষেত্ৰ আৰু মূল তোৰণ উন্মোচন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃনালিনী দেৱীয়ে। আনহাতে অধিবেশন ক্ষেত্ৰত ঐতিহাসিক পাঁচোৰজাৰ সোঁৱৰণত বন্তি প্ৰজ্বলন কৰে পাঁচোৰজাৰ পৰিয়াল বৰ্গই। ইয়াৰ পিছতেই শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াই, অসম সাহিত্য সভাৰ প্ৰতিস্থাপক সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাপৰ্ণ আৰু বন্তি প্ৰজ্বলন কৰে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি থগিত মহন্তই, অসম সাহিত্য সভাৰ প্ৰতিস্থাপক সম্পাদক শৰৎ চন্দ্ৰ গোস্বামীৰ প্ৰতিচ্ছবিত মাল্যাপৰ্ণ আৰু বন্তি প্ৰজ্বলন কৰে আদৰণী সমিতিৰ সভাপতি হেমন্ত কুমাৰ দেউৰীয়ে আৰু সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ প্ৰতিস্থাপক সভাপতি নৰেন্দ্ৰ নাথ কেওটে। আনহাতে নাট্যমঞ্চ উদ্বোধন কৰে শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ মৰিগাঁও জিলা শাখাৰ সভাপতি অতুল দাসে। গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ (২ নং তোৰণ) দ্বাৰ উন্মোচন কৰে মায়ং মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মহানন্দ বৰাই। গ্ৰন্থমেলা ক্ষেত্ৰৰ মঞ্চ উদ্বোধন কৰে চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমল চন্দ্ৰ নাথে। দিনৰ ১২.৩০ বজাত অধিবেশন স্থলীৰ সমীপৰ কপাহেৰাত মে-ডাম-মে-ফি উদযাপন কৰা হয়। বিয়লি অসম সাহিত্য সভাৰ চতুৰ্থ পূৰ্ণাঙ্গ কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। এই সভাখন আনুষ্ঠানিক ভাবে উদ্বোধন কৰে মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই । সভাত আদৰণী ভাষণ প্ৰদান কৰে আদৰণী সমিতিৰ সভাপতি হেমন্ত কুমাৰ দেউৰীয়ে। সন্ধিয়া প্ৰতিনিধি শিবিৰ মুকলি কৰে বিশিষ্ট জীৱনীকাৰ হৰেণ গগৈয়ে। অধিবেশনৰ কাইলৈ দ্বিতীয় দিনা অৰ্থাত ১ ফেব্ৰুৱাৰীৰ পুৱা ৮.৪৫ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই। মূল পতাকা উত্তোলনৰ লগে লগে ১ম চক্ৰত ১১ খন আৰু দ্বিতীয় চক্ৰত ১০৭ খন পতাকা বিভিন্ন জনে উত্তোলন কৰিব। পুৱা ৯ বজাত স্মৃতিতৰ্পণ কৰিব মৰিগাঁও জিলা কৰ্মচাৰী পৰিষদৰ সম্পাদক খগেন মহন্তই। পুৱা ৯.৩০ শ্বহীদ তৰ্পণ কৰিব আছুৰ সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধিয়ে। পুৱা ১০.৩০ বজাত বিশিষ্ট সাহিত্যিক বলাইৰাম সেনাপতি সোঁৱৰণী সাহিত্য সন্মিলন, স্মৃতিগ্ৰন্থ আৰু অন্যান্য গ্ৰন্থ উন্মোচনী সভা। অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হবলগীয়া সভাখন উদ্বোধন কৰিব অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কনকসেন ডেকাই, সভাত আদৰণী ভাষণ পাঠ কৰিব আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই। সভাত বাৰপূজীয়া অধিবেশনৰ স্মৃতিগ্ৰন্থ "বাৰপূজীয়া" উন্মোচন কৰিব বিশিষ্ট গবেষক পণ্ডিত ড০ নৰেণ কলিতাই। সভাত বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ উপ-সভাপতি ডাঃ গিৰিশ সন্দিকৈ, অসম চৰকাৰৰ উচ্চ শিক্ষা সচিব নাৰায়ণ কোঁৱৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ৰবীন্দ্ৰনাথ ঠাকুৰ অধ্যাপক তথা কলাগুৰু ড০ উমেশ ডেকা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ দীপ্তি ফুকন পাটগিৰি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ উপেন ৰাভা হাকাচাম, ড০ জয়শ্ৰী গোস্বামী মহন্ত, উপেন্দ্ৰ বৰকটকী, গুণীন হাজৰিকা, ধীৰেণ শৰ্মাই সন্মানীয় অতিথি হিচাপে গোবিন্দ টাইড, কমলাকান্ত মুছাহাৰী, ৰমেশ থাওচেনৰ লগতে দেউৰী সাহিত্য সভা, ডিমাচা সাহিত্য সভা, নেপালী সাহিত্য সভা, নিখিল ৰাভা সাহিত্য সভা, কাৰ্বি লাম্মেত আমে, মিছিং সাহিত্য সভা, পূৰ্ৱাঞ্চল টাই সাহিত্য সভা, বড়ো সাহিত্য সভাকে ধৰি বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভা সমূহৰ সভাপতি-সম্পাদকে অংশগ্ৰহণ কৰিব।

# অশ্বিনৰ স্থান অক্ষুণ্ন

**ডুবাই, ৩১ জানুৱাৰীঃ** টেষ্ট বলাৰৰ শীৰ্ষস্থান অক্ষুণ্ন ৰাখিবলৈ সক্ষম হৈছে ভাৰতীয় অফ স্পিনাৰ ৰবীচন্দ্ৰন অশ্বিনে। আজি প্ৰকাশিত আই চি চি ৰেংকিঙত তেওঁ টেষ্ট বলাৰৰ শীৰ্ষস্থান দখল কৰিছে। তেওঁৰ লগতে ভাৰতৰ যশপ্ৰীত বুমৰাহ আৰু ৰবীন্দ্ৰ জাদেজাই শীৰ্ষ দহজন বলাৰৰ মাজত স্থান লাভ কৰিছে। বুমৰাহে চতুৰ্থ স্থানলৈ আগবঢ়াৰ বিপৰীতে ষষ্ঠ স্থানত আছে জাদেজা। ইফালে নিউজিলেণ্ডৰ কেন উইলিয়ামছনে বেটাৰৰ এক নম্বৰ স্থান দখল কৰি আছে। টেষ্টৰ প্ৰথম দহজন বেটাৰৰ মাজ টীম ইণ্ডিয়াৰ একমাত্ৰ খেলুৱৈ হিচাপে ষষ্ঠ স্থানত আছে বিৰাট কোহলী। আনহাতে এদিনীয়া ক্ৰিকেটত বেটাৰ শীৰ্ষ ৰেংকত আছে পাকিস্তানৰ বাবৰ আজম। ইয়াত দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ স্থানত আছে ক্ৰমে শুভমন গিল, বিৰাট কোহলী আৰু ৰোহিট শৰ্মা। দক্ষিণ আফ্ৰিকাৰ কেশৱ মহাৰাজে এদিনীয়া বলাৰৰ এক নম্বৰ স্থানত আছে। এই ক্ষেত্ৰত ভাৰতৰ মহম্মদ ছিৰাজ তৃতীয়, বুমৰাহ ষষ্ঠ আৰু কুলদীপ যাদৱ আছে দশম স্থানত। টি২০ ক্ৰিকেটত টীম ইণ্ডিয়াৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱে শীৰ্ষস্থান অক্ষুণ্ন ৰাখিবলৈ সক্ষম হৈছে। ইয়াত পঞ্চমত আছে যশস্বী যয়চোৱাল। টেষ্ট অলৰাউণ্ডাৰৰ তালিকাত প্ৰথম দুটা স্থান ভাৰতৰ ৰবীন্দ্ৰ জাদেজা আৰু ৰবীচন্দ্ৰন অশ্বিনৰ দখল আছে।

# জয় শ্বাহৰ কাৰ্যকাল বৃদ্ধি

**বালি, ৩১ জানুৱাৰীঃ** এছিয়ান ক্ৰিকেট কাউন্সিলৰ সভাপতি হিচাপে জয় শ্বাহৰ কাৰ্যকাল বৃদ্ধি কৰা হৈছে। আজি বালিত অনুষ্ঠিত হোৱা ইয়াৰ বাৰ্ষিক সভাত এই সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ সচিব জয় শ্বাহে এছিয়ান ক্ৰিকেট কাউন্সিলৰ সভাপতি হিচাপে দ্বিতীয়টো কাৰ্যকাল পৰিচালনা কৰি আছে। দুবছৰীয়া দ্বিতীয়টো কাৰ্যকাল মাজভাগতে এবছৰলৈ বৃদ্ধি কৰা হয়।



■ যোৰহাট আৰক্ষী থানাত হাজিৰ হোৱাৰ সময়ত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা

# ঘৰ পৰিস্কাৰ কৰি পত্নীৰ পৰা স্বামীয়ে বিচাৰিলে ৭৫ হাজাৰ টকা!

**অনলাইন ফিচাৰ্ছ, ৩১ জানুৱাৰী:** ঘৰখন ধুনীয়াকৈ পৰিস্কাৰ কৰাৰ পিছত পাৰিশ্ৰমিক বিচাৰি পত্নীলৈ প্ৰায় ৭৫ হাজাৰ টকাৰ বিল প্ৰেৰণ কৰিলে স্বামীয়ে। কিন্তু পত্নীয়ে সেই বিলৰ বাবে প্ৰেৰণ কৰা মেছেজ আওকান কৰাৰ পিছতে সামাজিক মাধ্যমত স্বামীয়ে পোষ্ট কৰে মেছেজৰ স্ক্ৰীণশ্বট। শেহতীয়াকৈ সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে ব্ৰিটেইনৰ এহাল স্বামী-স্ত্ৰীৰ এনে এক কথোপকথন। দৰাচলতে মাৰ্ক হেচ্ছ নামৰ এজন ব্যক্তিয়ে 'ক্লিন মি' নামৰ এটা চাফাই ব্যৱসায় চলায়। তিনি সন্তানৰ পিতৃ মাৰ্কক অলপতে তেওঁৰ ঘৰখন পৰিস্কাৰ কৰাৰ দায়িত্ব দিছিল পত্নীয়ে। তিনিটা বেডৰুম, এখন মাৰ্বল লগোৱা মজিয়া আৰু এটা প্ৰকাণ্ড ড্ৰয়িং ৰুমৰ চুক চালে চকুত ৰোৱাকৈ পৰিস্কাৰ কৰে মাৰ্কে। ইয়াৰ পিছতে তেওঁ কষ্টৰ পাৰিশ্ৰমিক বিচাৰি ধেমালিতে পত্নীলৈ এটা মেছেজ প্ৰেৰণ কৰে। মেছেজটোত তেওঁ লিখিছিল- "হাই জেচমিন, অনুগ্ৰহ কৰি কালি কৰা চাফাইৰ বাবে আপোনাৰ পেমেণ্ট লিংকটো বিচাৰি উলিয়াওক। অনুগ্ৰহ কৰি লিংকটোত ক্লিক কৰি আপোনাৰ পছন্দৰ পেমেণ্ট পদ্ধতি বাছি লওক। আপোনাৰ সেৱাৰ বাবে ধন্যবাদ।" কিন্তু পত্নীয়ে এই মেছেজ আওকান কৰাৰ পিছতে মাৰ্ক হেচ্ছে ছ'চিয়েল মিডিয়াত পোষ্ট কৰে মেছেজৰ স্ক্ৰীণশ্বটটো। য'ত তেওঁ লিখে, "যোৱা সপ্তাহত আমাৰ সৈতে এটা অতি দুৰ্ভাগ্যজনক ঘটনা ঘটিল। চাফাই কৰাৰ পিছত এজন গ্ৰাহকে ধন দিবলৈ অস্বীকাৰ কৰে।" এই পোষ্টৰ প্ৰত্যুত্তৰত তেওঁৰ পত্নীয়ে কয়, "গ্ৰাহকজনক ভালদৰে বুজাব। আমাৰ সংসাৰ আছে, আমাৰ তিনিটা ল'ৰা-ছোৱালী আছে।" দম্পতীহালৰ এনে আমোদজনক কথোপকথনে এতিয়া আমোদ দিছে নেটিজেনকো।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান